# 2016

## ASSAMESE

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) সেই সময়ৰ অসমৰ জুডিচিয়েল কমিছনৰ মেজৰ-জেনেৰেল এগনিউ ছাহাবে হেমচন্দ্ৰ বৰুৱাক মাতি আনি কি কাম দিলে?

(খ) 'চিৎ' কি কি অৱস্থাত বিদ্যমান থাকে?

(গ) তক্ষশীলাত পাঠগ্ৰহণ কৰা যি কোনো এজন প্ৰাচীন ভাৰতীয় মনীষীৰ নাম উল্লেখ কৰা।

(ঘ) সৌন্দৰ্য্যবোধ যে সদায় সম্বন্ধবাচক সেইটো বুজাবলৈ লেখকে 'সৌন্দৰ্য্যবোধ' পাঠটোত উল্লেখ কৰা এটা উদাহৰণ দিয়া।

(ঙ) 'আসাম বন্ধু' আলোচনীখন কিমান চনত প্ৰকাশিত হয়?

(চ) আমিয়েলৰ গ্ৰন্থখনৰ নাম কি?

(ছ) সংস্কৃত 'ছদ্' ধাতুৰ অৰ্থ কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) প্ৰাচীন কামৰূপ কি কি পীঠত বিভক্ত আছিল, নামোল্লেখ কৰা।

(খ) তৈতিৰীয় উপনিষদ মতে পিতৃ বৰুণৰ পৰামৰ্শক্ৰমে ভৃগুৱে কিদৰে ব্ৰহ্মাৰ স্বৰূপ উপলব্ধি কৰিলে?

(গ) ৰাণাপ্ৰতাপৰ অখণ্ড প্ৰতাপৰ মাজত লেখকে কি সৌন্দৰ্য্যৰ সন্ধান পাইছে?

(ঘ) জেনেভা বিশ্ববিদ্যালয়ত অধ্যাপক নিযুক্ত হোৱাৰ পিচত আমিয়েলৰ জ্ঞান চৰ্চালৈ কি পৰিবৰ্তন আহিল?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) লেখকে সৌমাৰ পীঠলৈ কোন পবিত্ৰ দিনত যাত্ৰা কৰিবলৈ খুজিছিল আৰু সেই বিশেষ দিনটোৰ তাৎপৰ্য লেখকে কিদৰে দাঙি ধৰিছে?

(খ) 'ব্ৰহ্ম সৎ'—কথাযাৰ ব্যাখ্যা কৰা।

(গ) আনন্দৰাম বৰুৱাৰ জীৱন-চৰিত পঢ়াটো লেখকে কিয় দৰকাৰী বুলি কৈছে?

(ঘ) প্ৰাচীন ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়ৰ বিষয়ে লেখকে কোৱা কথাখিনি লিখা।

(ঙ) "One touch of nature makes the whole world kin" (প্ৰকৃতিৰ এবাৰৰ পৰশেই গোটেইখন জগতেই আত্মীয় কৰি তোলে)—মহাকবি চেক্সপীয়াৰৰ এই কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৪। (ক) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত' নামৰ পাঠটোত আত্মজীৱনীমূলক ৰচনাৰ বৈশিষ্ট্যসমূহ আছে নে নাই সেই সম্পৰ্কে পাঠটোৰ আলমত এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) "আনন্দৰাম বৰুৱা অসমৰো আচল বন্ধু।" এই উক্তিটোৰ তাৎপৰ্য উপযুক্ত উদাহৰণৰ দ্বাৰা বিচাৰ কৰা। ১০

৫। (ক) হেমচন্দ্ৰ গোস্বামীৰ "আজিৰ শিক্ষাব্যৱস্থাই নতুন তত্ত্ব বাহিৰ কৰিব পৰা ছাত্ৰ বেছিকৈ উলিয়াব পৰা নাই।" বুলি কৰা মন্তব্যটোৰ সম্পৰ্কত তোমাৰ মতামত দাঙি ধৰি এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) প্ৰকৃতি, সৌন্দৰ্য্যবোধ আৰু শিল্পীৰ মাজত লেখকে কেনে ধৰণৰ সম্বন্ধ থকা বুলি কৈছে? এনে সম্বন্ধই কিদৰে ভিন্ন ৰূপৰ শিল্প সৃষ্টি কৰে, প্ৰাসঙ্গিক উদাহৰণেৰে এটি টোকা লিখা। ১০

৬। (ক) বাণীকান্ত কাকতিৰ ‘‘আমিয়েলৰ ডায়েৰী চাৰিওফালৰ সীমাৱদ্ধ জ্ঞানৰ হেঁচাত স্বাভাবিকৰূপে বিকাশ লাভ কৰিব নোৱাৰা অন্তঃপ্ৰাণৰ ৰসনিৰ্য্যাস মাথোন।’’ বুলি কৰা মন্তব্যটোৰ আধাৰত আমিয়েলৰ ডায়েৰীখনক বিচাৰ কৰা। ১০

*অথবা*

(খ) ‘‘হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ সাহিত্য সৃষ্টিৰ লক্ষ্য সমাজসংস্কাৰ হলেও দুয়োজনৰ সাহিত্যত দুই প্ৰকাৰ ‘মন’ আৰু ‘অভিৰুচি’ প্ৰকট হৈছে বুলি লেখক তীৰ্থনাথ শৰ্মাই মন্তব্য কৰিছে।’’ এই মন্তব্যটো যুক্তি সহকাৰে বিচাৰ কৰা। ১০

***